**তামিল নাডু বৈদ্যুতিক পৰিষদ আৰু অন্য**

**বনাম**

**এন. ৰাজু ৰেড্ডিয়াৰ আৰু অন্য**

**২০ ডিছেম্বৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. টি. নানাৱতী]**

*অনুশীলন আৰু কাৰ্যপদ্ধতি*

পুনৰীক্ষণ – নথিভুক্ত অধিবক্তাৰ দ্বাৰা দাখিল কৰা বিশেষ অনুমতিৰ আবেদন খাৰিজ কৰা – বিশেষ অনুমতিৰ আবেদন খাৰিজ হোৱাৰ পাছত অন্য এগৰাকী অধিবক্তাৰ দ্বাৰা পুনৰীক্ষণ আবেদন দাখিল – পুনৰীক্ষণ আবেদন খাৰিজ হোৱাৰ পাছত আকৌ আন এগৰাকী অধিবক্তাৰ দ্বাৰা স্পষ্টীকৰণৰ বাবে আবেদন দাখিল – এনে অনুশীলনৰ প্ৰতি নিন্দা প্ৰকাশ – ৰায় দিয়া হয় যে এয়া আদালতৰ কাৰ্যপ্ৰণালীৰ অপব্যৱহাৰ – পুনৰীক্ষণ আবেদন বিষয়বস্তুৰ পুনৰ যুক্তিসংগতভাৱে শুনানিৰ এক প্ৰচেষ্টা নহয় তথা হোৱা উচিত নহয় – দুৰ্ভাগ্যবশতঃ, শেহতীয়াকৈ এনে পুনৰীক্ষণ আবেদন ৰুটিনমাফিক দাখিল কৰাটো এক অনুশীলনলৈ ৰূপান্তৰিত হৈছে; তাকো পূৰ্বৰ স্তৰত নথিভুক্ত অধিবক্তাৰ সন্মতি নোলোৱাকৈ অধিবক্তা সলনি কৰি – এয়া পেছাৰ উপযোগী কাৰ্যপ্ৰণালী বজাই ৰখাৰ দায়িত্ব থকা বাৰৰ সুস্থ কাৰ্যপ্ৰণালীৰ অনুকূল নহয়।

দেৱানী আপিলীয় ক্ষেত্ৰাধিকাৰ : ১৯৯৬-ৰ দেৱানী আবেদন সংখ্যা ৭৪৯৬-ৰ ১৯৯৬-ৰ আই. এ. সংখ্যা ৩।

১৯৮৭-ৰ অ.এচ.এ. সংখ্যা ১১২-ত মাদ্ৰাছ উচ্চ ন্যায়ালয়ৰ ৬.৯.৯৫ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীসকলৰ হৈ টি. এল. ভি. আয়াৰ, এচ. উদয় কুমাৰ সাগৰ।

উত্তৰদাতাসকলৰ হৈ ভি. কৃষ্ণমুৰ্থী আৰু ভি. বালাচন্দ্ৰন (এন.পি.)।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল :

এয়া এক দুখৰ কথা যে অস্বাভাৱিক আৰু পেছাৰ বাবে অনুপযুক্ত বা অনুকূল নোহোৱা এক নতুন প্ৰথাৰ আৰম্ভ হৈছে। বিশেষ অনুমতি আবেদন দাখিল কৰাৰ সময়ত নথিভুক্ত অধিভক্তা মি. মাৰিয়াপুথামে আবেদনকাৰী-উত্তৰদাতাৰ হৈ ওকালতনামা দাখিল কৰিছিল। এই বিষয়বস্তু খাৰিজ হোৱাৰ পাছত, অধিবক্তা ভি. বালাচন্দ্ৰনে পুনৰীক্ষণৰ বাবে এখন আবেদন দাখিল কৰিছিল। এইখনো আদালতৰ দ্বাৰা ২৪ এপ্ৰিল, ১৯৯৬-ত খাৰিজ কৰা হৈছিল। তথাপিও এতিয়া আন এগৰাকী অধিবক্তা এচ. য়ু. কে. সাগৰক "স্পষ্টীকৰণৰ বাবে আবেদন" শৈলীত তৈয়াৰী বৰ্তমানৰ আবেদনখন এই বিশেষ প্ৰাৰ্থনাৰ বাবে দাখিল কৰিবলৈ নিযুক্ত কৰা হৈছে যে আদেশটো স্পষ্ট আৰু নিৰ্দিষ্ট নহয়। যেতিয়া এক আবেদন/বিশেষ অনুমতি আবেদন খাৰিজ কৰা হয়, তেতিয়া আইন বা তথ্যৰ নথিভুক্ত ভুল স্পষ্টভাৱে প্ৰতীয়মান হোৱা বিৰল গোচৰসমূহৰ বাদে অন্য ক্ষেত্ৰত পুনৰীক্ষণৰ বাবে আবেদন কৰিব নোৱাৰি; তাকো নথিভুক্ত অধিবক্তাৰ দ্বাৰা এয়া কৰিব নোৱাৰি যি হাজিৰো হোৱা নাছিল নাইবা মুখ্য গোচৰটোত পক্ষও নাছিল। এয়া উল্লেখ কৰাটো প্ৰয়োজনীয় যে ন্যায়ালয়ে এটা গোচৰৰ সিদ্ধান্ত গ্ৰহণ কৰোতে মূল্যৱান সময় খৰছ কৰে। পুনৰীক্ষণ আবেদন বিষয়বস্তুৰ পুনৰ যুক্তিসংগতভাৱে শুনানিৰ এক প্ৰচেষ্টা নহয় তথা হোৱা উচিত নহয়। দুৰ্ভাগ্যবশতঃ,

শেহতীয়াকৈ এনে পুনৰীক্ষণ আবেদন ৰুটিনমাফিক দাখিল কৰাটো এক অনুশীলনলৈ ৰূপান্তৰিত হৈছে; তাকো পূৰ্বৰ স্তৰত নথিভুক্ত অধিবক্তাৰ সন্মতি নোলোৱাকৈ অধিবক্তা সলনি কৰি। এয়া পেছাৰ উপযোগী কাৰ্যপ্ৰণালী বজাই ৰখাৰ দ্বায়িত্ব থকা বাৰৰ সুস্থ কাৰ্যপ্ৰণালীৰ অনুকূল নহয়। চি.এ. সংখ্যা ১৮৬৭/৯২-ৰ পুনৰীক্ষণ আবেদন সংখ্যা ২৬৭০/৯৬-ত আমাৰ মাজৰে এগৰাকী ন্যায়াধীশ কে. ৰামাস্বামী সদস্য হিচাপে থকা তিনিজনীয়া বিচাৰপীঠ এখনে নিম্নলিখিত ৰায় প্ৰদান কৰিছিল :

> "আবেদনৰ নথিয়ে সূচায় যে আবেদনখনৰ শুনানি আৰু যুক্তিসংগতভাৱে সিদ্ধান্ত গ্ৰহণৰ সময়ত শ্ৰী সুদৰ্শ মেনন নথিভুক্ত অধিবক্তা আছিল। পুনৰীক্ষণ আবেদন শ্ৰী প্ৰবীৰ চৌধুৰীয়ে দাখিল কৰিছিল যিগৰাকী আবেদনৰ শুনানিৰ সময়ত যুক্তি দৰ্শোৱা অধিবক্তাও নাছিল আৰু যুক্তি-তৰ্ক চলি থকাৰ সময়ত হাজিৰো নাছিল। আমাৰ আদেশৰ বিৰুদ্ধ কৰা আবেদনৰ পুনৰ শুনানিৰ দৰে দাখিল কৰা এই পুনৰীক্ষণ আবেদনৰ ভিত্তি তেওঁ কি বুনিয়াদত লিখিছে সেয়া অজ্ঞাত। তেওঁ পুনৰীক্ষণ পৰিসৰৰ মাজত সীমাবদ্ধ নাছিল। এই অনুশীলনৰ অনুমতি প্ৰদান কৰাটো পেছাৰ অনুকূল নহ'ব। তাৰোপৰি তেওঁ আবেদনৰ নথিভুক্ত অধিবক্তাৰ পৰা "ওজৰ বিহীন প্ৰমাণপত্ৰ" (No Objection Certificate) সংগ্ৰহ কৰা নাই যদিও তেওঁক ৰেজিষ্ট্ৰীৰ তৰফৰ পৰা তাৰ আৱশ্যকীয়তাৰ বিষয়ে জনোৱা হৈছিল। এই "ওজৰ বিহীন প্ৰমাণপত্ৰ" দাখিল কৰাটো তেওঁ নথিভুক্ত হোৱাৰ ভিত্তি হ'ব। অন্যথা নথিভুক্ত অধিবক্তাগৰাকী ন্যায়ালয়ৰ ওচৰত জবাবদিহি হ'ব। পূৰ্বৱৰ্তী অধিবক্তাৰ পৰা "ওজৰ বিহীন প্ৰমাণপত্ৰ" সংগ্ৰহ কৰিবলৈ ব্যৰ্থ হোৱাটোৱে তেওঁক পুনৰীক্ষণ আবেদন দাখিল কৰাৰ অধিকাৰ নাইকীয়া কৰিছে।

আনকি অন্যথাও পুনৰীক্ষণ আবেদনখনৰ যুক্তিযুক্ততা নাই। এয়া বিষয়বস্তুটো যুক্তিসংগতভাৱে পুনৰ বাদানুবাদ কৰাৰ এক প্ৰচেষ্টা হয়।

এইসমূহৰ ভিত্তিত আমি পুনৰীক্ষণ আবেদনখন খাৰিজ কৰিছোঁ।"

পুনৰীক্ষণ আবেদনখন খাৰিজ হোৱাৰ পাছত স্পষ্টীকৰণৰ বাবে কোনো আবেদন দাখিল কৰা উচিত নহয়, তাকো নথিভুক্ত অধিবক্তাক সলনি কৰি এয়া কৰোটো একেবাৰে উচিত নহয়৷ অধিবক্তা সলনি কৰা আৰু বাৰম্বাৰ আবেদন দাখিল কৰাৰ অনুশীলনটো আইন প্ৰশাসন আৰু উপযোগী তথা সুস্থ অনুশীলনৰ বিশুদ্ধতা বৰ্তাই ৰখাৰ বাবে কঠোৰভাৱে নিন্দা কৰা উচিত।

এই আবেদনখন ২০,০০০ টকাৰ দৃষ্টান্তমূলক জৰিমনাৰ সৈতে খাৰিজ কৰা হ'ল যিহেতু ই সুস্থ অনুশীলনৰ অৱমাননা কৰি আদালতৰ কাৰ্যপদ্ধতিৰ অপব্যৱহাৰ কৰিছে। ৰাশিটো আজিৰ পৰা চাৰি মাহৰ ভিতৰত উচ্চতম ন্যায়ালয় আইনী সাহায্য সেৱা সমিতিক পৰিশোধ কৰা উচিত। যদি ৰাশিটো পৰিশোধ কৰা নহয়, তেন্তে এই নিৰ্দেশক এই ন্যায়ালয়ৰ আদেশ হিচাপে গ্ৰহণ কৰি উচ্চতম ন্যায়ালয় আইনী সাহায্য সেৱা সমিতিয়ে আদায় কৰা উচিত। ৰেজিষ্ট্ৰীক এই আদেশটো উচ্চতম ন্যায়ালয় আইনী সাহায্য সেৱা সমিতিক জনোৱাৰ নিৰ্দেশ দিয়া হ'ল।

আবেদন খাৰিজ কৰা হ'ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

পৰীক্ষকঃ-

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)